যি ভাৱৰ প্ৰৱহমানতা মুক্তক-ছন্দৰ গতিকে। সেই প্ৰৱহমানতাই চলায়। এই প্ৰৱহমানতাৰ মাজতো অমিতাক্ষৰ ছন্দৰ নিচিনা মুক্তক, ছন্দতো, ভাব হেৰাই নোযোৱাৰ কাৰণে বা বিকৃত নোহোৱাৰ কাৰণে যথাযোগ্য যতিস্থাপনৰ ব্যৱস্থা আছে।[২]

মুক্তকছন্দ আৰু অমিত্ৰাক্ষৰ ছন্দ

অমিত্ৰাক্ষৰ ছন্দৰ প্ৰতি শাৰীত চৈধ্যটাকৈ অক্ষৰ (syllable) থাকে, কিন্তু এই ছন্দৰ শাৰীত অক্ষৰৰ হিচাপ নাই, সাধাৰণতে একোটা ভাৱ বুজোৱা বাক্য বা বাক্যাংশই একোটা শাৰী। অন্ত্যানুপ্ৰাস বা অন্ত্যমিল অমিতাক্ষৰ ছন্দত নাথাকে। এই ধৰণৰ মিল থকা বা নথকাৰ ওপৰত কিন্তু মুক্তক ছন্দ নিৰ্ভৰ নকৰে, এই মিল থাকিলেও মুক্তক-ছন্দ হব পাৰে। আমাৰ সাহিত্যত মুক্তক-ছন্দ প্ৰশস্ত কৰি তোলাৰ ক্ষেত্ৰত বহ্নকান্ত বৰকাকতি, দেৱকান্ত বৰুৱা আদিৰ নাম উল্লেখযোগ্য। বৰকাকতিয়ে অন্ত্যমিল থকা মুক্তক ছন্দতো কবিতা ৰচিছে।

**অমিত্ৰাক্ষৰ ছন্দ**—মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ, আধুনিক ছন্দৰ এই দুটা ভাগ বুলি প্ৰথমতে কোৱা হৈছে। পদ বা পয়াৰ নামৰ ছন্দৰ আধাৰতেই অমিত্ৰাক্ষৰ বা অমিতাক্ষৰ ছন্দৰ সৃষ্টি হৈছে। পদ-ছন্দৰ একোটা স্তৱক দুই শাৰীত শেষ হয়। ইয়াৰ প্ৰতি শাৰীত চৈধ্যটাকৈ অক্ষৰ থাকে। প্ৰতি শাৰীৰ আঠ আৰু ছয় অক্ষৰৰ পাছত যথাক্ৰমে বিৰাম। অমিত্ৰাক্ষৰ ছন্দতো প্ৰতি শাৰীত চৈধ্যটাকৈ অক্ষৰ থাকে; কিন্তু পদ-ছন্দৰ দৰে প্ৰতি শাৰীত উক্ত ধৰণৰ বিৰাম নাই আৰু শাৰীৰ শেষাক্ষৰৰ মিলো নাই। ভাৱৰ

---

২ সমিলান্ত ছন্দত কিন্তু তেনে ব্যৱস্থালৈ চকু দিয়া নহয়। ফলত, সাধাৰণ পাঠকৰ অৰ্থবোধত কেতিয়াবা বিভ্ৰাট নঘটাকৈ নাথাকে। যেনে—

ব্ৰহ্মবধ পিতৃ বধ সুৰাপান

অগম্য গমন কৰে (শঙ্কৰদেৱ)

ছন্দৰ খাতিৰত ইয়াত "পিতৃ"ৰ পাছত বিৰাম দিয়া হৈছে; কিন্তু এই বিৰামে অৰ্থবিভ্ৰাট কৰে।

প্ৰৱহমানতা অমিত্ৰাক্ষৰ ছন্দৰ এটা প্ৰধান বৈশিষ্ট্য। গতিকে, ভাৱানুসৰি অৰ্থবোধ সুস্পষ্ট কৰি তোলাৰ উদ্দেশ্যে যি কোনো ঠাইতে অলপ বা পূৰ্ণ-বিৰাম হয়। পংক্তিৰ শেষত কোনো বিৰাম নহবও পাৰে। দৰাচলতে কবলৈ গলে এইধৰণৰ অমিতাক্ষৰ ছন্দৰ যোগেদি কবিতাই গতানুগতিক ছন্দোবন্ধনৰ পৰা মুক্তিলাভ কৰে, আৰু ইয়াকেই সুবিধা হিচাপে লৈ মুক্তক ছন্দই বিকাশৰ পথত আগ বাঢ়ে। আমাৰ সাহিত্যত, এই ধৰণৰ অমিত্ৰাক্ষৰ ছন্দৰ প্ৰথম সৃষ্টি-কৰ্ত্তা ভোলানাথ দাস আৰু ৰমাকান্ত চৌধুৰী। তাৰ পাছত হিতেশ্বৰ বৰবৰুৱাই এই ছন্দত কেইবাখনো কাব্য ৰচনা কৰি কাব্য-জগতত ইয়াক সুপ্ৰতিষ্ঠিত কৰে। "আৱাহন"-যুগৰ কবি দণ্ডীনাথ কলিতাৰ "অসম-সন্ধ্যা" উক্ত ছন্দত ৰচিত এখন প্ৰসিদ্ধ কাব্য। এইবিধ অমিত্ৰাক্ষৰ ছন্দৰ নমুনা :

(ক) প্ৰভাতিলা নিশা। উষা আশুগতি ধৰি
আসিলা, কুৰুলি দিলা সুদীৰ্ঘে পেচক ;
বায়স কৰিলা কা-কা ; যেন হেৰুৱাই
লঙ্কা, লঙ্কা-প্ৰিয়-পক্ষী কুক্কুট পুছিলা
লঙ্কাপুৰ ক'ত বুলি ; গাইলা চৌদিশে
প্ৰভাতীয় গীত যত প্ৰভাতী বিহঙ্গ ;
বৃকধূৰ্ত্ত দল দিলা হুৱা-ধ্বনি দূৰে। ( ভোলানাথ দাস )

(খ) অহা হে দুৰাশা, তুমি নিত্য সহচৰী
হিতেশ্বৰ, দিয়া বল ভগ্ন হৃদয়ত ;
ভগা বীণা; পুনু আজি বাজোক উলাহে
( যদিওবা ভগ্নসুৰ ) কাৰোবা যদিও
নজনমে তৃপ্তি শুনি ই ঝঙ্কাৰধ্বনি। ( হিতেশ্বৰ বৰবৰুৱা )

উল্লেখযোগ্য কথা—বিখ্যাত বঙালী কবি মাইকেল মধুসূদন দত্তই সৃষ্টি কৰা এই শ্ৰেণীৰ অমিত্ৰাক্ষৰ ছন্দৰ আদৰ্শ আমাৰ উক্ত কবিসকলৰ আগত আছিল।